জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৪৩/২০২০

# যুৱ সাংবাদিক ডিম্পী বৈশ্যৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩১ মাৰ্চ ঃ** যুৱ সাংবাদিক ডিম্পী বৈশ্যৰ অকাল বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰতিভাৱান সাংবাদিক গৰাকীয়ে অতি কম সময়ৰ ভিতৰত সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতৰ বিয়োগ আমাৰ সংবাদ জগত তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ডিম্পী বৈশ্যৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে এই পথ দুৰ্ঘটনাত আহত অৰূপ মৰাঙৰ আশু-আৰোগ্য কামনা কৰিছে।

আনহাতে, যুৱ সাংবাদিক ডিম্পী বৈশ্যৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে ডিম্পী বৈশ্যৰ মৃত্যু অসমৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি কয়।

মুখ্যমন্ত্ৰী মিডিয়া উপদেষ্টা গৰাকীয়ে প্ৰয়াত ডিম্পী বৈশ্যৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**৩১/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in